# স্পষ্টীকৰণ

আজিৰ সংখ্যাৰ (১৭-০৮-২০১৫) “অসমীয়া খবৰ” কাকতত প্ৰকাশিত “মঙ্গলদৈত ৰাজহুৱা স্থানত সুৰাপান ঃ মৌন প্ৰশাসন” শীৰ্ষক বাতৰিটো দৰং আৰক্ষী অধীক্ষকৰ দৃষ্টিগোচৰ হৈছে।

এই সন্দৰ্ভত অধীক্ষকগৰাকীয়ে স্পষ্ট কৰি কয় যে, বাতৰিটোত প্ৰকাশিত ধৰণে মঙ্গলদৈ চহৰৰ ৰাজহুৱা স্থানত সুৰাপান কৰাৰ কোনো ঘটনা দৰং আৰক্ষীৰ দৃষ্টিগোচৰ হোৱা নাই আৰু আৰক্ষীয়ে কোনো সুৰাপায়ীক প্ৰশ্ৰয়ো দিয়া নাই। দৰং আৰক্ষীয়ে ইতিমধ্যে দেশীয় সুৰা পান কৰি থকা অৱস্থাত চপাই, গেৰীমাৰী, প্ৰফুল্লনগৰ, হাউলীমোহনপুৰ আৰু ভেবাৰঘাট আদি ঠাইৰ পৰা ১৫ খন বাই চাইকেল জব্দ কৰিছে যদিও সুৰাপায়ীসকল পলাই যাবলৈ সক্ষম হয়। তাৰ উপৰিও মঙ্গলদৈ চহৰৰ বিভিন্ন স্থানৰ পৰা কেইবাটাও বিদেশী সুৰাৰ কাৰ্টুন জব্দ কৰি বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে আবকাৰী বিভাগক চমজাই দিয়া হৈছে। আনহাতে মঙ্গলদৈ থানাৰ অন্তৰ্গত নগৰবাহী গাঁৱৰ পথাৰত জুৱাখেলি থকা জুৱাৰীৰ পৰা ৬ খন মটৰ চাইকেল আৰু ১ খন বাই চাইকেল জব্দ কৰিছে যদিও জুৱাৰীসকল আৰক্ষীক দেখি পলাই যায়। কেৱল মঙ্গলদৈ চহৰতে নহয়, সমগ্ৰ জিলাখনতে যিকোনোধৰণৰ অসামাজিক কাৰ্য্যকলাপৰ বিৰুদ্ধে আৰক্ষীয়ে সদায়েই দৃঢ় পদক্ষেপ গ্ৰহণ কৰি আহিছে আৰু এই ক্ষেত্ৰত চোকা দৃষ্টি ৰাখি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ মঙ্গলদৈৰ সকলোবোৰ আৰক্ষী থানাক ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে।

Sd/- ... 17/08/2015

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী